**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 03-12-2025 **Time :** 1100 Hrs.

0000000000

ৰাজ্যৰ অৰুণোদয় আঁচনি আৰু প্ৰধানমন্ত্ৰী উজ্বলা আঁচনিৰ হিতাধিকাৰীসকলে অহা মাহৰ পৰা ৩০০ টকাতে ৰন্ধন গেছৰ চিলিণ্ডাৰ লাভ কৰিব। এই হিতাধিকাৰীসকলে শীঘ্ৰেই ৰন্ধন গেছৰ চিলিণ্ডাৰত ২৫০ টকাকৈ ৰাজ সাহায্য অসম চৰকাৰৰ পৰা লাভ কৰিব। উল্লেখযোগ্য যে ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰ বৰ্তমান একোটা পৰিয়ালে ৰাজ সাহায্যসহ ৮৫০ টকাত লাভ কৰে। প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত ৩০০ টকা হিতাধিকাৰীয়ে ৰাজ সাহায্য হিচাপে লাভ কৰে। ইয়াৰ ফলত একোটা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৫৫০ টকা হয়। অহা জানুৱাৰীৰ পৰা হিতাধিকাৰীসকলক চৰকাৰে অতিৰিক্তকৈ ২৫০ টকা ৰাজ সাহায্য প্ৰদান কৰাৰ ফলত তেওঁলোকে ৩০০ টকাতে চিলিণ্ডাৰ লাভ কৰিব পাৰিব।

0000000

———অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক কিছু সময়ৰ পাছতে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি দিনৰ ১১ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰিব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০ গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১ গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেনচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

0000000

কামৰূপী লোকগীতৰ যশস্বী শিল্পী ৰামেশ্বৰ পাঠকৰ আজি পূণ্য তিথি।

MUSIC

আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিল্পীগৰাকীৰ পূণ্য তিথিত শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয়, যে অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ জগতখনক কামৰূপী লোকগীতে বিশেষভাৱে সমৃদ্ধ কৰিছে। শিল্পীগৰাকীৰ কণ্ঠৰ প্ৰতিটো লোকগীত অসমীয়া সংস্কৃতিৰ অমূল্য সম্পদ বুলি তেওঁ উল্লেখ কৰে। আজি লোকসংগীতৰ বৰেণ্য সাধকগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰি নতুন প্ৰজন্মই তেওঁৰ গীতৰ চৰ্চা অব্যাহত ৰাখি বিশ্বত এই গীতসমূহক জনপ্ৰিয় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। কামৰূপী লোকগীতক নিজৰ অনন্য গায়ন শৈলীৰে দেশজুৰি জনপ্ৰিয় কৰা শিল্পীগৰাকীৰ গীতসমূহ আজিও শ্ৰোতাৰ বাবে সমানে প্ৰিয় হৈ আছে।

SONG

0000000

ঘন কুঁৱলীৰ বাবে আজি পুৱাৰ ভাগত মাজুলীলৈ ফেৰী চলাচল ব্যাহত হয়। যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি আভ্যন্তৰীণ জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হয়। বতৰ মুকলি হোৱাৰ লগে লগে কিছু সময় পাছতে এই সেৱা মুকলি কৰা হ'ব পাৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি পুৱাৰ ভাগত মাজুলী অফলামুখৰ ফেৰী যাতায়াত বন্ধ ৰখা হয় বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰে।

বাইট

একেদৰে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ফেৰী সেৱাও কিছু সময়ৰ বাবে বন্ধ ৰাখিবলগীয়া হৈছিল যদিও কুঁৱলী আঁতৰি যোৱাৰ লগে লগে পুনৰ ফেৰী সেৱা আৰম্ভ কৰা হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

0000000

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান আৰু সৃষ্টি সম্ভাৰক বিশ্বজনীন কৰাৰ প্ৰয়াসেৰে আজিৰে পৰা ওড়িশাৰ পুৰীত পুৰী মহোৎসৱ অনুষ্ঠিত হৈছে। দুদিনীয়া এই মহোৎসৱত অসমৰ ভালেসংখ্যক ব্যক্তিয়ে অংশ লৈছে। আজি পুৰীৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণত পুৱা পাঁচ বজাত বৰপেটা সত্ৰৰ চম্পক দাসৰ জাগৰণৰ গীত পৰিৱেশনেৰে মহোৎসৱ শুভাৰম্ভ কৰা হয়। পুৱা ৮ বজাৰ প্ৰসংগ সংগীত-নাটক একাডেমী বঁটাপ্ৰাপক ৰাজ্যৰ বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজাই পৰিচালনা কৰে। ইয়াৰ পাছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে মুকলি কৰিছে। ঔতলা সত্ৰৰ সত্ৰাধিকাৰ বাবুল চন্দ্ৰ ডেকাই মহোৎসৱৰ বাবে পৱিত্ৰ ভাগৱত বহন কৰিব। ভাগৱত ভ্ৰমণৰ পাছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যোৱা নাম দলসমূহে থিয় নাম পৰিৱেশন কৰিব। আবেলি হ'বলগীয়া মুকলি সভাত সুৰজমল চাহা মহাবিদ্যালয়ৰ অধ্যক্ষ শৰৎ কুমাৰ চাহু উপস্থিত থাকিব। মহোৎসৱৰ উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে উন্মোচন কৰিব। এই অনুষ্ঠানত পুৰীৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। সন্ধিয়া বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ মুনীন্দ্ৰ নাৰায়ণ দেৱ গোস্বামীয়ে সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব। কাইলৈও কেইবাটাও কাৰ্যসূচী ৰখা হৈছে। কাইলৈ হ'বলগীয়া পালনামত গুৱাহাটীৰ সাৰংগপাণি পাঠকে অংশ ল'ব।

0000000

আজি আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস। বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণ, সমৰ্পন তথা তেওঁলোকৰ সাহসৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এই দিৱ উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তি আৰু প্ৰতিস্থানসমূহক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে সমাজৰ প্ৰতিগৰাকী দিব্যাংগ ব্যক্তিলৈ অভিনন্দন জ্ঞাপন কৰিছে। ৰাজ্য চৰকাৰে দিব্যাংগ ব্যক্তিসকলৰ কল্যাণৰ বাবে অহৰ্নিশে কাম কৰি যাব বুলিও প্ৰতিশ্ৰুতি দিছে।

0000000

**সমাপ্ত**